অসমৰ ৰাজনীতিত গৰম হৈ থকা দ্বি-চৰিত্ৰৰ গহীন ৰাজনৈতিক চৰ্চা এতিয়া সকলোৰে মুখে মুখে, ৰাইজ উগুল-থুগুল। গুৰুত্বপূৰ্ণ বিষয়ৰ সকলো কথা ফাদিল হোৱাৰ দিনটোলৈ মুখ্যমন্ত্ৰীয়ে ৰাইজক অপেক্ষা কৰিবলৈ সময় দিছে; অপেক্ষাৰ অনুভূতি তিতা-মিঠা-কেহা-অম্লমধুৰ— কোনটো হ'ব পাৰে? সেয়া সময়তহে জানিব পৰা যাব। ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে এজন সাংসদৰ ব্যক্তিগত ভিতৰুৱা বিষয়ৰ ক্ষেত্ৰত তৎপৰ হোৱাত ৰাজনৈতিক উদ্দেশ্য নিশ্চয় থাকিব পাৰে, তাতেই আকৌ...

হিমন্ত বনাম গৌৰৱ

উত্তেজনাপূৰ্ণ ১০ ছেপ্টেম্বৰ

কুশল কুমাৰ দাস

অসমৰ ৰাজনীতিত গৰম হৈ থকা দ্বি-চৰিত্ৰৰ গহীন ৰাজনৈতিক চৰ্চা এতিয়া সকলোৰে মুখে মুখে, ৰাইজ উগুল-থুগুল। গুৰুত্বপূৰ্ণ বিষয়ৰ সকলো কথা ফাদিল হোৱাৰ দিনটোলৈ মুখ্যমন্ত্ৰীয়ে ৰাইজক অপেক্ষা কৰিবলৈ সময় দিছে; অপেক্ষাৰ অনুভূতি তিতা-মিঠা-কেহা-অম্লমধুৰ— কোনটো হ'ব পাৰে? সেয়া সময়তহে জানিব পৰা যাব। ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে এজন সাংসদৰ ব্যক্তিগত ভিতৰুৱা বিষয়ৰ ক্ষেত্ৰত তৎপৰ হোৱাত ৰাজনৈতিক উদ্দেশ্য নিশ্চয় থাকিব পাৰে, তাতেই আকৌ সাংসদগৰাকী প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুত্ৰ তথা লোক সভাৰ বিৰোধী দলৰ উপ দলপতি ৰাজনৈতিক ক্ষেত্ৰত নিশ্চয় এয়া এক আশ্চৰ্যৰ বিষয় হ'ব। প্ৰতিজন ৰাজনৈতিক নেতাই নিজৰ ৰাজনৈতিক জীৱনত বহু প্ৰত্যাহ্বানৰ মুখামুখি হৈ প্ৰতিষ্ঠা লাভৰ সংগ্ৰামত বৰ্তি থাকিব লাগে। তাৰেই এক পৰীক্ষা মুখ্যমন্ত্ৰী আৰু গৌৰৱ গগৈৰ জীৱনৰ বাবে আহি পৰা প্ৰত্যাহ্বান বুলি ধৰি ল'ব পাৰি। বোৱা লোক সভা নিৰ্বাচনৰ আগে আগে গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীৰ পট্টায়ে নিজৰ ব্যক্তিগত ফৰ্মৰ নামত কেন্দ্ৰীয় চৰকাৰৰ পৰা দহ কোটি টকাৰ ঋণ লোৱাৰ ক্ষেত্ৰত কৰা অভিযোগে ৰাজ্যৰ ৰাজনীতিত তোলপাৰ লগাইছিল। সেই সময়ত মুখ্যমন্ত্ৰী তথা তেওঁৰ পত্নীও অস্বস্তিত পৰা দেখা গৈছিল। সাধাৰণ জনতাৰ বাবে এনেবোৰ কথাই বিশেষ উপকাৰ সাধন নকৰিলেও গৌৰৱ গগৈক কিন্তু যেনেহটো সমাদৰ পৰা জয়লাভত যথেষ্ট সহায় কৰিছিল। ইয়াৰ উপৰি ৰাজ্যৰ বিভিন্ন ঠাইত বিভিন্ন বিভিন্ন মাটি এৰা কথা সম্পৰ্কতো ঠিক সময়ত বিৰোধী দলে অভিযোগ কৰি আহিছে। তেনে অভিযোগবোৰৰ চৰ্চালৈ আহে যদিও এটা সময়ত তাপ মাৰে। এনে চৰ্চাবোৰৰ পৰা লাভ-লোকচানৰ হিচাপ নিৰ্বাচনত পৰে। ২০২৫ৰ পঞ্চায়ত নিৰ্বাচনৰ আগৰে পৰা ৰাজ্য মুখ্যমন্ত্ৰীয়ে সাংসদগৰাকীৰ বিৰুদ্ধে গুৰুতৰ এক অভিযোগ উত্থাপন কৰাৰ লগে লগে ৰাজ্যৰ ৰাজনীতি উত্তপ্ত কৰি তোলে। যোৱা ইলৈ বিশিষ্ট সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তানৰ সৈতে বহুদিনীয়া সম্পৰ্কৰ অভিযোগ অসমৰ প্ৰেক্ষাপটত প্ৰধান ইস্যু হিচাপে সকলোৰে দৃষ্টি নিবদ্ধ হৈ পৰে। শেহতীয়াকৈ পহলগাম ঘটনাই বিষয়টো অধিক গুৰুত্ব কৰি তুলিছে, যি সময়ত পাকিস্তানৰ সন্ত্ৰাসবাদ শূন্য সহনশীলতাৰে বিনাশ কৰাৰ বাবে 'অপৰেশন সিন্দুৰ'ৰ জৰিয়ে সন্ত্ৰাসবাদীৰ ওপৰত সোকাৰ আঘাত হানিছে, সেই সময়তে এজন জনপ্ৰিয় সাংসদৰ বাবে অনা অভিযোগ সকলোৰে বাবে দৃষ্টি নিবদ্ধ হোৱা স্বাভাৱিক। গৌৰৱ গগৈ পাকিস্তানৰ গৃহ মন্ত্ৰালয়ৰ নিমন্ত্ৰণত পাকিস্তানলৈ যোৱা কথাটো অতিকৈ স্পৰ্শকাতৰ বুলি অভিযোগ কৰাৰ লগতে অহা ১০ ছেপ্টেম্বৰত সকলো কথা স্পষ্ট হোৱাৰ ইংগিত দিছে। মুখ্যমন্ত্ৰীৰ প্ৰত্যাহ্বান- এজন সাংসদে পাকিস্তানৰ গৃহ মন্ত্ৰালয়ৰ নিমন্ত্ৰণত যোৱা মানে পাকিস্তানৰ আই এছ আইৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকাৰ তাৎপৰ্য বহন কৰে। লগতে গগৈৰ পত্নীয়ে বিশেষ ফৰ্মৰ পৰা নিয়মীয়াকৈ দৰমহা লৈ থকাৰ কথাও উল্লেখ কৰা কথাটো অতি জটিল বিষয়। সঁচা-মিছাৰ গণ্ডীত হওক বা নহওক; এনে অভিযোগে এজন নেতাৰ ৰাজনৈতিক জীৱনৰ ডাঙৰ প্ৰত্যাহ্বান। কাৰণ পাকিস্তান জাতৰ চিৰবৈৰী হোৱাৰ পাছত এজন সাংসদৰ লগত কি সম্পৰ্কই ঠাই পাইছিল? ভাৰত বিৰোধী ষড়যন্ত্ৰত সঁচাকৈ জড়িত আছিল নেকি? তৃণমূল কংগ্ৰেছ মানুহে



কিন্তু গৌৰৱ গগৈৰ প্ৰতি সৃষ্টি হোৱা অন্য এক ধাৰণাক সেনকালে মচি পেলাব নোৱাৰে যদি মুখ্যমন্ত্ৰীৰ কথাটো সঁচা হয়, তেনেহ'লে সাংসদজনৰ ৰাজনৈতিক ভৱিষ্যৎ আনকালে ঢাল খোৱাটো নিশ্চিত। যদি অদ্ভুত মিছা কথা জপি দিয়া হৈছে, তেনেহ'লে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে আইনৰ সহায় লোৱাটোহে আচৰিত যেন লাগে। যিমানে দিন চমু চাপি আহিছে, সিমানে গগৈয়ে দিয় বক্তব্যসমূহ স্পষ্ট হৈ নগ্নাত ৰাইজৰ বাবে সঁচা-মিছাৰ দোমোজাত কৌতূহলৰ সৃষ্টি হৈছে। মুখ্যমন্ত্ৰীয়ে এখোজ আগুৱাই আই এছ আইৰ সৈতে সম্পৰ্ক থকাৰ গুৰুতৰ অভিযোগ কৰিছে। ইতিমধ্যে পহলগাম ঘটনাৰ পাছত প্ৰত্যক্ষ বা পৰোক্ষভাৱে পাকিস্তানৰ সৈতে সম্পৰ্ক থকা দেশদ্ৰোহী সকলক গ্ৰেপ্তাৰ কৰা বিষয়টোৱে গুৰুত্ব পাইছে। একেটা সময়তে গগৈৰ ওপৰত আৰোপ কৰা বিষয়ৰ গুৰুত্বও বাঢ়িছে; কংগ্ৰেছৰ ভিতৰচ বাতৰা গৌৰৱ গগৈৰ স্থিতি স্পষ্ট নোহোৱাত অসম কংগ্ৰেছৰ বহু সদস্য বিপাকত পৰা স্বাভাৱিক। দলৰ অৱস্থা এনেও তথৈবচ, আনহাতে ২৬ৰ নিৰ্বাচনৰ আগত দলৰ সভাপতি ভূপেন বৰাক আঁতৰাই নতুন সভাপতিৰ বাবে গৌৰৱ গগৈক বাছি দিয়াৰ ক্ষেত্ৰতো বিভিন্ন বুধ চলি থকাত কংগ্ৰেছ দল শংকাকৈত পৰিছে। বিৰোধী ঐক্যৰ নামত ৰাইজৰ দলৰ নেতাজনেও কংগ্ৰেছৰ ক্ষেত্ৰত কোৱা কথাবোৰেও দলটোক অস্বস্তিত পেলাইছে। পঞ্চায়ত নিৰ্বাচনৰ ফলাফলে বিৰোধী দলসমূহক আশাহত কৰাৰ মুহূৰ্তত গৌৰৱ-পুৰাণে নতুন প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। অভিযোগৰ চূড়ান্ত ফলাফলৰ দিন ১০ ছেপ্টেম্বৰ যথেষ্ট দীঘলীয়া হোৱা বাবে মুখ্যমন্ত্ৰীৰ অভিযোগৰ প্ৰতি বহুতৰে সন্দেহ ঘনীভূত হৈছে। এনে পৰিস্থিতিত গগৈয়ে মুখ্যমন্ত্ৰীৰ সকলো অভিযোগ খণ্ডন কৰিবলৈ গ্ৰহণযোগ্য প্ৰত্যুত্তৰ দিব পৰা নাই যদিও সামাজিক মাধ্যমত মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈক আগন্তুক দিনৰ ৰাজনৈতিক প্ৰতিদ্বন্দ্বী বুলিয়ে আক্ৰমণাত্মক হৈ উঠা বুলি ক'ব খোজে। সংসদ হিচাপে গৌৰৱ গগৈৰ ৰাজনৈতিক কেৰিয়াৰ পোনছটেই ২০১৪ চনৰ পৰাই সাংসদ হিচাপে আৰম্ভ হৈছিল। তেতিয়াৰ পৰা সংসদৰ অধিৱেশনবোৰত এটা চিনাকি নাম হৈ পৰে। এই চিনাকি আৰু জনপ্ৰিয়তা বহু ৰাজনৈতিক নেতাৰ বাবে ঈৰ্ষাজনক হোৱা একো ডাঙৰ কথা নহয়। সেয়ে হ'লা এজনে আনজনৰ ৰাজনৈতিক যাত্ৰাৰ স্পৰ্শকাতৰ সময় (crucial time) বুলি ধৰি লৈছে, অনাগত দিনত প্ৰতিষ্ঠা লাভৰ বাবে অতি পৰীক্ষা হৈ পৰিছে। যি বিষয়ৰ আৰোপ সেয়া একেবাৰে ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত হ'লেও জোলোঙৰ মেকুৰী ওলাবই। এশ গৰু মাৰিলে বাঘৰো মৰণ বুলি কথাৰ কাৰ পক্ষত প্ৰতিপন্ন হ'ব, সেয়া সময়ত নিশ্চয় উত্তৰ ওলাব। সাধাৰণ জনতাই এজন জনপ্ৰিয় নেতাৰ ওপৰত আন এজন জনপ্ৰিয় নেতাই গুৰুতৰ অভিযোগ কৰা অশুভ পৰিৱেশ এটা সৃষ্টি হোৱাৰ কাৰণ নিশ্চয় নকৰে। তাতেই এজন প্ৰাক্তন মুখ্যমন্ত্ৰীৰ পুত্ৰ তথা সাংসদৰ পাকিস্তানৰ আই এছ আইৰ সৈতে সম্পৰ্ক, পত্নী এলিজাবেথ এন জি অ'ৰ এজেণ্ট, পত্নী-সন্তানৰ ভাৰতীয় নাগৰিকত্ব নথকা, জুকাই-চুবকৈ ১৯বাৰ অবৈধভাৱে পাকিস্তানলৈ যোৱা কথাবোৰৰ অভিযোগ স্বয়ং মুখ্যমন্ত্ৰীৰ অবৈধতা প্ৰমাণৰ বাবে এছ আই টিৰ তথ্যও দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে, যদিহে এনেবোৰ কথা সত্য নহয়, তেনেহ'লে ৰাজ্যৰা জীৱন ত্যাগ কৰিব, নিজৰ ঘৰলৈ যোৱা বাদ দিব; এনে অভিযোগ প্ৰত্যাহ্বানকভাৱে ৰাজ্যৰা কৰা কথাও আচৰিত হ'বলগা। 'এজন মুখ্যমন্ত্ৰীয়ে অসমৰ হৈ নিজাকৈ কৃত্ৰিম উপগ্ৰহ স্থাপনলৈকে ভাবিব পাৰে, সেইজনে বাৰু এজন বিৰোধীৰ উপ-দলপতিৰ বিৰুদ্ধে এনে অভিযোগ দিব পাৰেনে? নিশ্চয় বহস্যৰ গোন্ধ এটা আছে; যাৰ ব্যাখ্যাও ইমান সহজ নহয়। মুখ্যমন্ত্ৰীৰ পূৰ্বপুৰুষৰ ৰাজনৈতিক ইতিহাস নাই যদিও সকলো অভিজ্ঞতা নিজৰ জীৱনৰ পৰাই শিকিছে। এজন অভিজ্ঞপুৰুষ মুখ্যমন্ত্ৰীয়ে প্ৰাক্তন মুখ্যমন্ত্ৰীৰ পুত্ৰৰ চলুকীয়া ৰাজনৈতিক জীৱনক লৈ উঠি-পৰি লগা কথাটোৰ পৰাই অনুমান কৰিব পাৰি বিষয়টো জটিল। লগতে ধৈৰ্য শক্তিৰ পৰীক্ষাও জড়িত হৈ আছে। গৌৰৱ গগৈ হাড়ে-মিজুৱে ৰাজনীতিৰ ৰঙহায়াত ডাঙৰ হোৱা আৰু অতি কম সময়ৰ ভিতৰতে ভাৰতীয় ৰাজনীতিত সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। অসমৰ বাবে সৌভাগ্যৰ কথা যে দুয়োজন পৰিপক্ক ৰাজনীতিবিদ। যদিহে ১০ ছেপ্টেম্বৰত দুয়োজন মহিষৰ যুদ্ধৰ ফলাফল সৰু-ধেমেলীয়া নাটকৰ বাবে হয়; ৰাইজৰ উৎকণ্ঠাবো অন্ত পৰিব। চাবলৈ গ'লে দল বাগৰ বা দলৰ পৰা বগাবোৰ ৰাজনীতিৰো ইটো অংগ হ'ব পাৰে! দল বাগৰ নেতাৰ ৰাজনৈতিক জীৱনৰ এৰি অহা দিনবোৰৰ কথাবোৰ নাটকৰ নীতিৰে পশ্চাদ অৱলোকন (Flash Back) কৰি চালে এনে লাগিব, প্ৰত্যেকে একোজন সুনিপুণ অভিনেতা। যি দলৰ পৰা ৰাজনীতিৰ জ্ঞান লৈছিল, সেই দলকে কটু সমালোচনা কৰিবলৈ কুণ্ঠাবোধ নকৰে। গতিকে শুৰ লগা পোহাকৰ তলত লুকাই থাকে বহু কঁড়িয়াল ব্যক্তিত্ব।

দীঘলীয়া সময়ৰ বাবে এনে এটা স্পৰ্শকাতৰ ইস্যুৰ মুখামুখি হৈ গগৈৰ আমনি লাগিব আৰু নিজৰ দলৰ সাংগঠনিক কাম-কাজবোৰ পিছ পৰি থাকিলে শাসকীয় দল লাভান্বিত হ'ব। দলৰ শক্তিশালী নেতাজনক দীঘলীয়া সময়ৰ বাবে এনে অভিযোগৰে ভাৰাক্ৰান্ত কৰাবো এক কঠিন সিদ্ধান্ত হ'ব পাৰে। ৰাজনীতিত একো অসম্ভৱ নহয়। গৌৰৱ গগৈয়ে দৃঢ়তাৰে কৈছে যে নিৰ্দিষ্ট দিনত মুখ্যমন্ত্ৰীয়ে কৰা অভিযোগৰ বাবে ৰাইজৰ ওচৰত আঁচু কাঢ়ি ক্ষমা খুজিব লাগিব। মন কৰিবলগীয়া যে দুয়োজনে বিষয়টো চৰ্চা হোৱাৰ বাবে অকণো আমনি পোৱা যেন লগা নাই। বৰঞ্চ সামাজিক মাধ্যমত পৰস্পৰে বাক-চাতুৰ্য প্ৰদৰ্শন কৰাহে দেখা গৈছে। তেনেহলে গভীৰ ৰহস্য যে লুকাই আছে সেয়া নিশ্চিত। এই ৰাজনৈতিক যুঁজনৰ নিশ্চয় অন্ত পৰিব; কিন্তু দুই মহৰ যুঁজত বিৰিণাৰ মৰণৰ দৰে ৰাইজৰ যাতে কোনো ক্ষতি নহয়।

লেখক যোৰহাট মহাবিদ্যালয়ৰ
সহযোগী অধ্যাপক
■ ফোন : ৯১০১১২২৬৩৮

কেঞ্চাৰে মাতিছে অকাল মৃত্যু

বিনু বৰা

মঙলবাৰ, ২০ মেৰ পৰা আৰম্ভ বজাত নিভা বৈৰে মেলি ফন কৰি ক'লে— বিনু, হেমলতা বাইদেউৰ মানুহজন ঢুকাল। বৰ বেয়া খবৰ, মনটো বৰ বেয়া লাগিল। আমাৰ বিভিন্ন সামাজিক কাম-কাজত বাইদেউ ওতপ্ৰোতভাৱে জড়িত। জিলা মহিলা পাৰিজাতৰ সভানেত্ৰী হেমলতা বাইদেউৰ সৈতে ১০ বছৰে এই কামত মযো জড়িত হৈ আছোঁ। অতি অমায়িক মানুহৰ প্ৰতি থকা মমতা ভালপোৱাৰে বাইদেউ তেজপুৰত অত্যন্ত জনপ্ৰিয়। বাইদেউৰ স্বামী তথা মানুহজন দীৰ্ঘদিন ধৰি দুৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হৈ আছিল। তেজপুৰ, গুৱাহাটী তথা অসমৰ বাহিৰতো চিকিৎসা কৰিছিল মানুহজনক সুস্থ কৰি তুলিবলৈ

এই খিনিতে এটা কথা উনুকিয়াব বিচাৰিছোঁ। সম্প্ৰতি অসমত কেঞ্চাৰ ৰোগ অতি ভয়াবহ গতিত সম্প্ৰসাৰিত হৈছে। কেঞ্চাৰৰ বাবেই অসমত বহু লোকৰ অকাল মৃত্যু হৈছে। এনে লাগে যেন ঘৰে ঘৰে একোগৰাকী কেঞ্চাৰ ৰোগী। এই ভয়াৱহতাৰ কথা অসম চৰকাৰে গুৰুত্বসহকাৰে বিবেচনা কৰা উচিত। কেঞ্চাৰ ৰোগৰ চিকিৎসাৰ বাবে চৰকাৰে ইথনৰ পাছত সিখন চিকিৎসালয় স্থাপন কৰিছে তথাপি কেঞ্চাৰ ৰোগীৰ সংখ্যা হ্ৰাস পোৱা নাই। কেঞ্চাৰত আক্ৰান্ত লোক সুস্থও হৈছে, কিন্তু এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা মানুহৰ সংখ্যা তুলনামূলকভাৱে অত্যন্ত বেছি। কেঞ্চাৰ ৰোগৰ চিকিৎসালয় স্থাপন কৰাৰ সমান্তৰালভাৱে এই ৰোগৰ পৰা কিদৰে ৰাতি থাকিব পাৰি, আৰু এই ৰোগ হোৱাৰ পাছত কিদৰে সুস্থ হ'ব পাৰি, সেই সম্পৰ্কত চৰকাৰে যথেষ্ট প্ৰচাৰৰ ব্যৱস্থা কৰিব লাগে। গুটখা, গুটা তামোল, চিগাৰেট, সুৰাৰ প্ৰচলন পাৰিলে নিষিদ্ধ কৰাটোৱেই বিচাৰোঁ।

যিয়েই নহওক, তেজপুৰৰ এগৰাকী সৰ্বজনবহী ব্যক্তি এই ৰোগত আক্ৰান্ত হৈ আদবয়সত মৃত্যুক আঁকোৱালি লোৱাৰ পাছত তেওঁৰ পত্নীৰ হিয়াভঙা বি কান্দোন দেখিছিলো, সেই দৃশ্যই মৃত্যু ইমান ভয়ংকৰ আৰু কাৰোবাৰ মৃত্যুৱে কাৰোবাক কিদৰে অকলশীয়া কৰি পেলায়, সেয়া অনুভৱ কৰিছোঁ।

বিয়াৰ দিনটোৰ পৰা স্বামীৰ লগত কটোৱা সময়খিনি, এবেলেকে চাহকাপ খোৱা, ভাতৰ টেবুলত বহা, ফুৰিবলৈ যোৱা আদি স্মৃতিবোৰে স্বামী হেৰুওৱা মহিলাক বাৰেকৈয়ে আমনি কৰে। কেতিয়াবা একেকৈয়ে ভাবিবলৈ মন যায়— এয়াই জীৱন। হাঁহি-কান্দোন, সুখ-দুখ, সংগ্ৰাম আদিৰ মাজেৰেই জীৱনৰ এটা এটা পল পাৰ হৈ যায়। মৃত্যু শাশ্বত। পৃথিৱীৰ প্ৰতিটো জীৱৰে মৃত্যু নিশ্চিত। কিন্তু এই মৃত্যু যেতিয়া অকালতে আহে, তেতিয়া মানি ল'বলৈ টান লাগে। বিশেষকৈ কেঞ্চাৰৰ দৰে মহা ব্যাধিয়ে অসমৰ বহু নিৰ্বাহিতা মহিলাৰ কপালৰ বন্ধা সেন্দুৰখন অকালতে মচি দিছে। এই খিনিতে মুখ্যমন্ত্ৰীলৈ পুনৰ অনুৰোধ— ৰাজ্যখনত মহামাৰীৰ ৰূপ লোৱা কেঞ্চাৰৰ পৰা নতুন প্ৰজন্মক বচাওক। ধূমপান, সুৰা, গুটখাৰ বিৰুদ্ধে ব্যাপক প্ৰচাৰ চলাওক। এই প্ৰচাৰত এগৰাকী সুস্থ উৰ্ধৰ মহিলা হিচাপে আমিও অংশগ্ৰহণ কৰিম। এটা নিৰোগী, সুস্থ-সবল জাতি গঢ়ি তুলিবলৈ হ'লে সুস্থ জীৱনশৈলীৰ খুবেই প্ৰয়োজন। ৰাজ্যখনৰ সৰ্বত্ৰ ৰাস্তিৰ জন্ম সৃষ্টি কৰক। যোজকতাৰ উপকাৰিতাৰ বিষয়ে প্ৰচাৰ কৰক। ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰিবলৈ হ'লে আমি তেজাল খাদ্য, বিশেষকৈ সাৰ দিয়া পাচলি, সাৰ দিয়া মাছ আৰু নেফথেলিনৰ গুটি খুৱাই কটা ছাগলীৰ মাংস আদি বৰ্জন কৰিব লাগিব। কেঞ্চাৰৰ পৰা অসমীয়া সমাজখন আৰু নতুন প্ৰজন্মক বচাবলৈ হ'লে ইয়াৰ বিৰুদ্ধে স্বাস্থ্য সঞ্চেতনামূলক প্ৰচাৰৰ প্ৰয়োজনীয়তা অসীম।

■ ফোন : ৮৭২১৮৫১৩৯৩